**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-03-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। নিৰ্বাচন আয়োগে আসন্ন লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ সময়ছোৱাত পৰিৱেশৰ দৃষ্টিকোণৰ পৰা বহনক্ষম নিৰ্বাচনৰ হকে মত পোষণ কৰিছে।
২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফাকুৱা উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে।
৩। কৰ্মচাৰী ভৱিষ্য নিধি সংস্থা **ই পি এফ ও**-ৰে কালি প্ৰকাশ কৰা তথ্য অনুসৰি চলিত বৰ্ষৰ জানুৱাৰীত প্ৰায় ৮ লাখ ৮ হেজাৰ নতুন সদস্য ভুক্তি হৈছে।
৪। মধ্য প্ৰদেশৰ উজ্জয়িনীৰ মহা কালেশ্বৰ মন্দিৰৰ গৰ্ভগৃহত ভষ্ম আৰতিৰ সময়ত অগ্নিকাণ্ড সংঘটিত হয়। ***আৰু***
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

নিৰ্বাচন আয়োগে আসন্ন লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ সময়ছোৱাত পৰিৱেশৰ দৃষ্টিকোণৰ পৰা বহনক্ষম নিৰ্বাচনৰ হকে মত পোষণ কৰিছে। আয়োগে নিৰ্বাচন সংক্ৰান্তীয় নথি-পত্ৰ তথা ভোটদাতাৰ তালিকাৰ বাবে কাগজৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ ৰাজনৈতিক দলসমূহৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। আয়োগে **ই-বুক** তথা **ই-ডকুমেণ্টৰ** ব্যৱহাৰৰ লগতে কাগজৰ দুয়ো পিঠি ব্যৱহাৰ আৰু সঠিক বিন্যাসৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আসন্ন নিৰ্বাচনৰ সময়ত যোগাযোগৰ বাবে বৈদ্যুতিক মাধ্যম ব্যৱহাৰ কৰিবলৈ সকলোকে উৎসাহিত কৰাৰ উদ্দেশ্যে এই নিৰ্দেশনাসমূহ জাৰি কৰা হৈছে। লগতে আয়োগে পৰিৱেশ অনুকূলভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট কৰ্তৃপক্ষ তথা ৰাজনৈতিক দলসমূহলৈ আসন্ন নিৰ্বাচনৰ সময়ছোৱাত এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক এৰাই চলাৰ লগতে আৱৰ্জনা নিষ্কাশনৰ পৃথক ব্যৱস্থা তথা অনাময় ব্যৱস্থা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। তদুপৰি সকলো ধৰণৰ আৱৰ্জনা নিষ্কাশন সঠিক ধৰণে কৰা, পৰিবহণৰ বাবে পৰিৱেশ অনুকূল বাহন ব্যৱহাৰ কৰাৰ লগতে যাতায়তৰ বাবে ৰাজহুৱা পৰিবহণৰ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। নিৰ্বাচনী প্ৰচাৰ কাৰ্যৰ বাবে নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰক উৎসাহিত কৰিবলৈও ৰাজনৈতিক দলসমূহক নিৰ্দেশ দিয়া হৈছে।

০০০০০০

তেলেংগানাত লোকসভা নিৰ্বাচনৰ সূচী ঘোষণাৰ পূৰ্বে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। ৰাজ্যখনৰ ১৭ খন আসনতেই চতুৰ্থ পৰ্যায়ত একেদিনাই ভোটগ্ৰহণ হ'ব। তেলেংগানাত এইবেলি লোকসভা নিৰ্বাচনৰ মহিলা ভোটদাতাকে ধৰি যথেষ্ট সংখ্যক যুৱ তথা প্ৰথমবাৰৰ বাবে ভোটাধিকাৰ লাভ কৰা ভোটদাতাই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব । উল্লেখযোগ্য যে, পুৰুষ ভোটদাতাতকৈ মহিলা ভোটদাতাৰ সংখ্যাধিক্য থকা ৰাজ্যকেইখনৰ ভিতৰত তেলেংগানা অন্যতম। ৰাজ্যখনৰ মুঠ ৩ কোটি ৩০ লাখ ভোটদাতাৰ ভিতৰত মহিলা ভোটদাতা হৈছে ১ কোটি ৬৫ লাখতকৈও অধিক। অৱশ্যে নতুনকৈ তথা প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ লাভ কৰা ভোটদাতাসকলৰ ভিতৰত মহিলাতকৈ পুৰুষৰ সংখ্যা অধিক। তথ্য অনুসৰি ১৮ ৰ পৰা ১৯ বছৰৰ বয়সৰ পুৰুষ ভোটদাতাৰ সংখ্যা ৪ লাখ ৮২ হাজাৰ হোৱাৰ বিপৰীতে ভোটদাতা হিচাপে নাম পঞ্জীয়ন কৰা মহিলাৰ সংখ্যা হৈছে ৩ লাখ ৮৪ হাজাৰ। ৰাজ্যখনত অহা ১৩ মে'ত হ'বলগীয়া চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনত ১৭টা সমষ্টিতে মুঠ ১৯ হাজাৰ ৩৫৬টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। এই সমষ্টিসমূহৰ ভিতৰত তিনিটা সমষ্টি অনুসূচিত জাতিৰ বাবে সংৰক্ষিত হৈ থকাৰ বিপৰীতে দুটা সমষ্টি অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত হৈ আছে।

০০০০০০

সমগ্ৰ দেশতে আজি ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হৈছে। বৰ্ষা ঋতুৰ আগমনৰ প্ৰাকক্ষণত উদযাপন কৰা এই উৎসৱে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ জয়কেই সূচায়। আজিৰ দিনটোত জনসাধাৰণে এজনে আনজনক ৰং সনাৰ লগতে শুভেচ্ছাৰ বিনিময় তথা

জ্যেষ্ঠসকলৰ পৰা আশীৰ্বাদ লয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফাকুৱা উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে ফাকুৱাক সমন্বয়ৰ উৎসৱ আখ্যা দি কয় যে, এই উৎসৱ ভাৰতৰ অতুলনীয় সাংস্কৃতিক ঐতিহ্যৰ জীৱন্ত প্ৰতীক। শ্ৰীমতী মুৰ্মুৱে কয় যে, এই উৎসৱে জনসাধাৰণৰ মাজত প্ৰেম, একতা আৰু ভাতৃত্বৰ অনুভৱ জাগ্ৰত কৰে। তেওঁ লগতে ফাকুৱাই সকলোৰে জীৱনলৈ সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উৎসৱে সকলোৰে মাজত ভাতৃত্ববোধৰ বান্ধোন দৃঢ় কৰি তোলে বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণে ফাকুৱাৰ জৰিয়তে বসন্তক আদৰণি জনাই বুলি উল্লেখ কৰে। শ্ৰীধনখড়ে কয় যে, ফাকুৱা হৈছে জীৱন উদযাপন তথা প্ৰাকৃতিৰ প্ৰাৰ্চুৰ্য্যৰ প্ৰতীক। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে ফাকুৱাই জনসাধাৰণৰ জীৱনলৈ সুখ, আশা আৰু সমন্বয় কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ৰঙৰ উৎসৱে সকলোৰে জীৱনলৈ নতুন শক্তি আৰু উদ্যম কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

হোলী উৎসৱৰ পৰিপ্ৰেক্ষিতত ৰেপিড মেট্ৰ' আৰু এয়াৰপ'ৰ্ট এক্সপ্ৰেছ লাইনকে ধৰি দিল্লী মেট্ৰ'ৰ সকলো লাইনতে দিনৰ ২ বাজি ৩০ মিনিটলৈকে মেট্ৰ' সেৱা উপলব্ধ নহ'ব। ইয়াৰ পাছত সকলো লাইনৰ টাৰ্মিনেল ষ্টেচনৰ পৰা সেৱাসমূহ পুনৰ আৰম্ভ হ'ব। তদুপৰি, দুপৰীয়া ২ বজাৰ পিছত দিল্লী পৰিবহণ নিগমৰ বাছ সেৱা আৰম্ভ হ'ব।

০০০০০০০

কৰ্মচাৰী ভৱিষ্য নিধি সংস্থা **ই পি এফ ও**-ৱে কালি প্ৰকাশ কৰা তথ্য অনুসৰি চলিত বৰ্ষৰ জানুৱাৰীত প্ৰায় ৮ লাখ ৮ হেজাৰ নতুন সদস্য ভুক্তি হৈছে। কেন্দ্ৰীয় শ্ৰম মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা অনুসৰি এই সময়ছোৱাত পঞ্জীভুক্ত হোৱা মুঠ নতুন সদস্যৰ ৫৬ শতাংশতকৈও অধিক সদস্য হৈছে ১৮ ৰ পৰা ২৫ বছৰ বয়সৰ। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি সংগঠিত ক্ষেতৰত নতুনকৈ যোগদান কৰা লোকসকলৰ অধিকাংশই হৈছে যুৱক-যুৱতী তথা প্ৰথমবাৰৰ বাবে কৰ্মসংস্থাপন লাভ কৰা লোক। সংস্থাটোৱে প্ৰকাশ কৰা তথ্যৰ লিংগভিত্তিক বিশ্লেষণৰ জৰিয়তে জানিব পৰা মতে, ৮ লাখ ৮ হেজাৰ নতুন সদস্যৰ ভিতৰত দুই লাখ ৫ হাজাৰ হৈছে মহিলা।

০০০০০০

শ্ৰীলংকাই মদিন পয়াৰ শুভ অনুষ্ঠান উদযাপন কৰাৰ সময়তে ভাৰতৰ উচ্চায়ুক্তই কলম্বোৰ শ্ৰীসম্বোধি মহা বিহাৰ মন্দিৰত বৌদ্ধ প্ৰদৰ্শনী উন্মোচন কৰে। এই প্ৰদৰ্শনীত বুদ্ধদেৱৰ জীৱনৰ গুৰুত্বপূৰ্ণ মুহূৰ্তবোৰ চিত্ৰিত কৰা হোৱাৰ লগতে সমগ্ৰ ভাৰতবৰ্ষত থকা বৌদ্ধ তীৰ্থস্থানসমূহৰ চিত্ৰ প্ৰদৰ্শন কৰা হৈছে। অনুষ্ঠানত শ্ৰীলংকাত থকা ভাৰতৰ উচ্চায়ুক্ত সন্তোষ ঝা, শ্ৰীসম্বোধি বিহাৰায়াৰ মুখ্য পুৰোহিতকে ধৰি বিশিষ্ট লোক উপস্থিত থাকে।

০০০০০০

মধ্য প্ৰদেশৰ উজ্জয়িনীৰ মহা কালেশ্বৰ মন্দিৰৰ গৰ্ভগৃহত ভষ্ম আৰতিৰ সময়ত অগ্নিকাণ্ড সংঘটিত হয়। ঘটনাত পুৰোহিতগৰাকীকে ধৰি কেইবাগৰাকীও লোক আহত হয়। আহতসকলক ইন্দোৰ আৰু উজ্জয়িনীৰ চিকিৎসালয়ত ভৰ্তি কৰা হয়। উজ্জয়িনীৰ আয়ুক্ত নীৰজ সিঙে ঘটনা সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ মোহন য়াদৱেও দোষীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ দিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে কথা পাতে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে, স্থানীয় প্ৰশাসনে ঘটনাত আহত লোকসকলক উপযুক্ত চিকিৎসা তথা সকলো সাহায্য প্ৰদান কৰিছে।

০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **দেশত ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ সন্দৰ্ভত ভাৰতীয় ইলেকট্ৰনিক উদ্যোগ সংঘৰ সাধাৰণ সচিব ৰাজু গোৱেলৰ** সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৭১৭১০৬ আৰু ০১১-২৩৩১৪৪৪৪ নম্বৰত ফোন কৰি **ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰৰ** বিভিন্ন দিশ সন্দৰ্ভত সচিবগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে লগতে ৱাটছএপ যোগে ৯২৮৯০-৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত

ফ্ৰিকুৱেঞ্চিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.gov.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিব পাৰিব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি জয়পুৰৰ ছাৱাই মানসিং ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ২০ ৰানত পৰাস্ত কৰে। লক্ষ্ণৌয়ে ১৯৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৭৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। লক্ষ্ণৌৰ হৈ নিক'লাছ পুৰানে ৬৪ ৰান কৰি অপৰাজিত হৈ থকাৰ লগতে অধিনায়ক কে এল ৰাহুলে ৫৮ ৰান কৰে। ইয়াৰ পূৰ্বে ৰাজস্থানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৪টা উইকেট হেৰুৱাই ১৯৩ ৰান কৰে। দলটোৰ হৈ সঞ্জু ছেমচনে ৮২ ৰান কৰে।

ইপিনে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন খেলত গুজৰাট টাইটানছে মুম্বাই ইণ্ডিয়ানছক ৬ ৰান পৰাস্ত কৰে। গুজৰাট টাইটানছে মুম্বাই ইণ্ডিয়ানছক ১৬৮ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত মুম্বাইয়ে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৬২ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০০

ঃসমাপ্তঃ